প্ৰেছ বিজ্ঞপ্তি

৫ অক্টোবৰ, ২০১৬

# মাৰ্কেন্টাইল আৰবান কো-অপাৰেটিভ বেংক লিমিটেড মীৰাট, উত্তৰ প্ৰদেশক জাৰি কৰা নিৰ্দেশৰ বৈধতা আৰ বি আইয়ে সম্প্ৰসাৰিত কৰিছে

ভাৰতীয় ৰিজাৰ্ভ বেংকে মাকেন্টাইল আৰবান কো-অপাৰেটিভ বেংক লিমিটেডক জাৰি কৰা নিৰ্দেশ ৬ অক্টোবৰ,২০১৬ৰ পৰা ৬ এপ্ৰিল,২০০৭লৈ আৰু ছমাহ সময় সম্প্ৰসাৰিত কৰিছে, পৰ্যালোচনা সাপেক্ষে। বেংকিং বিনিয়ম আইন,১৯৪৯ (এএচিএছ)ৰ ধাৰা ৩৫ কৰ উপধাৰা(১)ৰ অধীনত ৩০ ছেপ্টেম্বৰ,২০১৫ তাৰিখে জাৰি নিৰ্দেশ মৰ্মে ৬ অক্টোবৰ,২০১৫ৰ পৰা বেংকটো নিৰ্দেশাধীন হৈ আছিল।

আৰবিআই নিৰ্দেশ দিনাংক ২৯ মাৰ্চ,২০১৬ মৰ্মে উক্ত নিৰ্দেশ সালসলনি কৰি ইয়াৰ বৈধতা সম্প্ৰসাৰিত হৈছে। আগতে ৫ অক্টোবৰ,২০১৬ত সম্প্ৰসাৰিত কৰা এই নিৰ্দেশৰ বৈধতা ৬ অক্টোবৰ,২০১৬ৰ পৰা ৫ এপ্ৰিল,২০১৭লৈকে অতিৰিক্ত ছমাহৰ বাবে সম্প্ৰসাৰিত কৰা হৈছে; ৩০ ছেপ্টেম্বৰ,২০১৬ৰ সংশোধিত নিৰ্দেশ মৰ্মে আৰু পৰ্যালোচনা সাপেক্ষে। উল্লেখিত নিৰ্দেশসমূহৰ অন্যান্য চৰ্তাৱলী অপৰিৱৰ্তিত থাকিব। ৩০ ছেপ্টেম্বৰ,২০১৬ তাৰিখৰ নিৰ্দেশনাটোৰ এটা প্ৰতিলিপি ৰাইজে পঢ়ি চাব পৰাকৈ বেংক চৌহদত প্ৰদৰ্শিত হৈছে।

ৰিজাৰ্ভ বেংকৰ নিৰ্দেশ সংশোধনক আপাতঃদৃষ্টিত বেংকটোৰ বিত্তীয় অৱস্থাৰ উন্নতি বা অৱনতিসূচক বুলি ধৰি লব লাগে। পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি ৰিজাৰ্ভ বেংকে নিৰ্দেশটোৰ সালসলনি ঘটোৱাটো বিবেচনা কৰিব পাৰে।

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তি- ২০১৬-১৭/৮৬৩**